# যিহূদাৰ পত্র

১যীচু খ্ৰীষ্টৰ দাস আৰু যাকোৱৰ ভাই যিহূদাৰ হৈ তোমালোকৰ নাম যি ঈশ্বৰৰ প্ৰিয় তথা যীচু খ্ৰীষ্টৰ নিমিত্তে ৰক্ষিত, আৰু ঈশ্বৰৰ দ্বাৰা আমন্ত্রিত লোকবিলাকৰ সমীপলৈ।

২তোমালোকক দয়া, শান্তি আৰু প্ৰেম বাহুল্যৰূপে হওক।

### পাপীয়ে দণ্ড পাব

৩প্ৰিয় বন্ধুগন, যদিও মোৰ বহুত ইচ্ছা আছিল তোমালোকলৈ সেই বিষয়ে লিখিবলৈ, যিহৰ আমি সমভাগী।মই তোমালোকক লিখি আৰু তোমালোকক উদগাবলৈ আৱশ্যক অনুভৱ কৰিলোঁ যাতে তোমালোকে সেই বিশ্বাসৰ পক্ষে প্ৰাণপণ কৰি থাকা যিটো ঈশ্বৰে পবিত্ৰ লোকবিলাকক সদা-সৰ্বদায়ৰ বাবে দিছে। ৪কিয়নো আমাৰ মাজত কিছুমান লোকে গুপুতৰূপে সোমাই আহিছে। এইবিলাকৰ দণ্ডৰ বিষয়ে শাস্ত্ৰত বহুত আগতেই ভাৱবাণী কৰা হৈছিল। এই লোক বিলাক ঈশ্বৰ বিহীন। এই লোকবিলাকে ঈশ্বৰৰ অনুগ্ৰহক ভোগ-বিলাসৰ এটা পথ হিচাপে বাছি লৈছে।আৰু আমাৰ প্ৰভু আৰু একমাত্ৰ স্বামী যীচু খ্ৰীষ্টক অস্বীকাৰ কৰে।

৫মই তোমালোকক সোঁৱৰণ কৰাব বিছাৰিছোঁ (যদিও তোমালোক এই কথাবোৰ জানাই) যে যি প্ৰভুৱে প্ৰথমে নিজৰ লোক বিলাকক মিচৰৰ দেশৰ পৰা উদ্ধাৰ কৰি আনিলে, পাছত যিবিলাকে বিশ্বাসক অস্বীকাৰ কৰিলে, তেওঁলোকক কি দৰে বিনষ্ট কৰি দিলে।[a] ৬মই তোমালোকক এইটোও সোঁৱৰাব খোজো যে যি স্বৰ্গদূত বিলাকে নিজৰ অধিপত্য বজাই ৰাখিব নোৱাৰিলে, কিন্তু যিবিলাকে নিজৰ নিবাস স্হানক সেই ভীক্ষন দিনৰ বিচাৰৰ অৰ্থে অন্ধকাৰত সদাকালৰ বন্ধনত ৰাখিলে। ৭এই দৰে মই তোমালোকক এইটোও সোঁৱৰাব খোজো যে চদোম আৰু ঘমোৰা আৰু তাৰ চাৰিওপফালৰ নগৰবোৰে এই দুতবিলাকৰ সমানেই বেশ্যাগমন কৰিলে অৰ্থাত অপ্ৰাকৃতিক পুংমৈথুনত ৰত হল। তেওঁলোকক কেতিয়াও ননুমুওৱা অগ্নিত পেলাই দিবলৈ দণ্ড দিয়া হল। সেইবোৰ আমাৰ বাবে আৰ্হিস্বৰূপে আগত ওলাই আছে।

৮ঠিক এনেদৰেই আমাৰ মাজত সোমাই অহা এই লোক বিলাকে সপোনৰ পিছে পিছে দৌৰি নিজৰ শৰীৰ বিলাক বিকৃত কৰি আছে। এওঁলোকে প্ৰভুৰ সামৰ্থক উঠাই অৱহেলা কৰে, আৰু মহিমাময় স্বৰ্গদুতবিলাকৰ বিৰুধে নিন্দা কৰে। ৯প্ৰধান স্বৰ্গদূত মীখায়েলে, যেতিয়া মোচিৰ শৰীৰৰ বিষয়ে বাদানুবাদ কৰি বাগযুদ্ধ কৰিলে তেতিয়া তাৰ বিৰুদ্ধে তেওঁ নিন্দাযুক্ত নিস্পতি কৰিবলৈ সাহ নাপালে। তেওঁ মাত্ৰ কলে, "প্ৰভুৱে তোমাক ভৎসনা কৰক"

১০কিন্তু এই লোকবিলাকে যিহক নাজানে তাক সমালোচনা কৰে, আৰু এই লোকবিলাক জ্ঞানহীন পশুবোৰৰ দৰে, তেওঁবিলাকে যিবোৰ কথাক স্বাভাৱিক ৰুপে জানে সেইবোৰ কথাৰেই তেওঁলোক নষ্ট হয়। ১১তেওঁলোক সন্তাপৰ পাত্ৰ, কিয়নো তেওঁলোকে কয়িনৰ পথত গমন কৰিলে। ধন অৰ্জন কৰিবলৈ তেওঁলোকে নিজকে এনে ভ্ৰান্তপথত সমৰ্পিত কৰিলে যেনেকৈ বিলিয়মে কৰিছিল। সেয়ে তেওঁলোক নষ্ট হৈ যাব যেনেকৈ কোৰহৰ বিদ্ৰোহত ভাগ লোৱাবিলাকৰ বিনষ্ট কৰা হৈছিল।

১২তেওঁলোক তোমালোকৰ প্ৰীতি ভোজত লুকাই থকা বিঘন্ন জনক শিল স্বৰুপ হয়। এই লোকবিলাকে নিৰ্ভয়েৰে তোমালোকৰ লগত খোৱা-বোৱা কৰে কিন্তু তেওঁলোকে কেৱল নিজৰ স্বাৰ্থ হে চিন্তা থাকে। তেওঁলোক বতাহত চলাই নিয়া পানী নথকা মেঘ, তেওঁলোক হেমন্ত কালৰ ফলহীন গছ।তেওঁলোক দুবাৰ মৰা। সেইবোৰক উঘালি পেলোৱা গছ। ১৩তেওঁবিলাক নিজৰ লজ্জাৰূপে ফেন উলিওৱা সাগৰৰ প্ৰকাণ্ড ঢৌ। তেওঁলোক ভ্ৰমণকাৰী তৰাস্বৰুপ যিবিলাকৰ কাৰণে অনন্তকলীয়া ঘোৰ অন্ধকাৰ নিশ্চিত কৰি থোৱা আছে।

১৪আদমৰ সপ্তম পুৰুষৰ যি হনোকেও এই লোকবিলাকৰ কাৰণে এই বাক্যৰ ভাৱবাণী কৰিছিল: "চোৱা প্ৰভুৱে নিজৰ হাজাৰ হাজাৰ স্বৰ্গদূতৰ সৈতে ১৫সকলো বিলাকৰ সোধ-বিচাৰ কৰিবলৈ আহি আছে। যাতে লোকবিলাকে যি ভক্তিহীন কাৰ্য্য কৰিছে, তেওঁলোকৰ কাৰণে আৰু যিবিলাকে ঈশ্বৰৰ বিৰুদ্ধে নিন্দা কৰিলে, তেওঁলোকক দণ্ড দিব।"

১৬এই লোকবিলাক বিবাদকাৰী, আৰু স্বভাগ্যনিন্দক। এইবিলাকে নিজৰ ইচ্ছাৰ দাস, আৰু নিজৰ মূখেৰে গৰ্ব্ব কথা কয়। নিজৰ লাভৰ অৰ্থে মানুহৰ প্ৰশংসা কৰে।

### যত্ন কৰি থাকিবলৈ সাৱধানবাণী

১৭কিন্তু হে প্ৰিয়বিলাক, সেই বাক্যবোৰ মনত ৰাখিবা যিবোৰ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পাঁচনিবিলাকৰ দ্বাৰা আগতেই কোৱা হৈছে। ১৮তেওঁলোকে তোমালোকক কৈছিলে, "শেষৰ সময়ত এনে লোকবিলাক আহি উপস্হিত হব যিবিলাকে ঈশ্বৰৰ লগত যি বিলাক সমন্ধিত

[a] **৫ প্ৰভু** কিছুমান সকলোতকৈ পুৰনা আৰু সৰ্বোত্তম গ্ৰীক যিহূদা পদত ইয়াত, "যীচু" আছে। যদি "যীচু" ইয়াত মূল ৰুপে মান্যতা তেনেহলে পদ ৬ তো "প্ৰভুৰ" ঠাইত "যীচু" হব লাগে।

সেইবিলাকৰ ঠাট্টা কৰিব।” তেওঁলোক অপবিত্ৰ ইচ্ছাৰে
চলিব [১৯]এইবিলাকেই সেইবিলাক যিবিলাকে দলভেদৰ
সৃষ্টি কৰে।

[২০]এই লোকবিলাক প্ৰাকৃতিক ইচ্ছাৰ দাস। এওঁলোকৰ
আত্মা নাই।কিন্তু প্ৰিয়বিলাক তোমালোকৰ পৰস্পৰে
আত্মিক ৰূপে নিজৰ অতি পবিত্ৰ বিশ্বাসত দৃঢ় হৈ থাকা।
পবিত্ৰ আত্মাৰে সৈতে প্ৰাৰ্থনা কৰা। [২১]আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ
দয়ালৈ অপেক্ষা কৰি যি তোমালোকক অনন্ত জীৱনলৈকে
লৈ যাব, ঈশ্বৰৰ ভক্তিত লীন হৈ থাকা।

[২২]যিবিলাকে সংশয় কৰি আছে তেওঁবিলাকলৈ দয়া কৰা
[২৩]আন বিলাকক আগবাঢ়ি গৈ জুইৰ পৰা ৰক্ষা কৰা।কিন্তু
দয়া কৰা সময়ত সাৱধান হোৱা আৰু তেওঁলোকৰ বস্ত্ৰ
পৰ্য্যন্ত ঘিন কৰিবা যিহত তেওঁলোকৰ পাপ পূৰ্ণ স্বভাৱৰ
দাগ লাগি আছে।

## ঈশ্বৰৰ স্তুতি

[২৪]এতিয়া তেওঁৰ প্ৰতি যি জনাই খহি পৰাৰ পৰা ৰক্ষা কৰিব
পাৰে তেওঁৰ প্ৰতাপময় উপস্হিতিত তোমালোকক মহান
আনন্দৰ সৈতে নিৰ্দোষী ৰূপে প্ৰস্তুত কৰিব পাৰে। [২৫]আমাৰ
প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰা আমাৰ উদ্ধাৰকৰ্তা সেই একমাত্ৰ ঈশ্বৰৰ
মহিমা, গৌৰৱ, পৰাক্ৰম আৰু ক্ষমতা যুগ যুগৰ পৰা এতিয়া
যুগ যুগান্তলৈ হওক আমেন।